Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ৫

বিজ্ঞান আৰু আমাৰ মানসিকতা

অংশ-১

পুণ্যব্ৰত বৰদলৈ


Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ৰতনপুৰ গাঁৱৰ নতুন আদৰ্শ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী জংকী। বুধবাৰৰ দিনটো ৰতনপুৰ গাঁৱৰ সাপ্তাহিক হাট বহাৰ দিন। বাটত গাড়ী-মটৰৰ ভিৰ হোৱাৰ আগতে বিদ্যালয়লৈ যোৱাৰ বাবে জংকী সাজু হ'ল। আগদিনাখন বিদ্যালয়ৰ জাননী ফলকত পোৱা ছিটা দিয়াৰ বাতৰিটোৱে গাঁৱৰ বহু অভিভাৱকক বিমোৰত পেলাইছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



জংকীৰ মাক-দেউতাকো চিন্তিত হৈছিল। কিয়নো 'ভ্রাম্যভাষ'ৰ জৰিয়তে অহা বাতৰিটোত ছিটা প্ৰয়োগৰ ফলত শিশুসকলৰ ভীষণ অপকাৰ হোৱাৰ কথাহে উল্লেখ আছিল। জংকীয়ে সেইদিনা বাটত কমল আৰু জেনিথক লগ নাপালে। তথাপিও তাই খৰখেদাকৈ বিদ্যালয়লৈ গ'ল। লগত কোনো নাথাকিলে জংকীৰ কৃত্ৰিম ভৰি দুখনেৰে আগুৱাই যাবলৈ বৰ কষ্ট হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জংকী বিদ্যালয়লৈ গৈ খেলপথাৰ, শ্রেণীকোঠা আদি ক'তো নিজৰ লগৰীয়াবোৰক নেদেখি বিদ্যালয়ৰ ওচৰতে থকা সহপাঠী শংকৰৰ ঘৰ পালেগৈ। শংকৰক ঘৰৰ চোতালত খেলি থকা দেখা পাই জংকী আচৰিত হ'ল। তাই সুধিলে- 'শংকৰ, তুমি এতিয়াও বিদ্যালয়লৈ যাবলৈ সাজু হোৱা নাই কিয়?' শংকৰে খেলি থকাৰ পৰাই উত্তৰ দিলে- 'মায়ে আজি মোক বিদ্যালয়লৈ যাবলৈ মানা কৰিছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তুমিও ঘৰলৈ সোনকালে উভতি যোৱা, নহ'লে তোমাক ছিটা দিবলৈ অহা মানুহে ধৰি নি ছিটা দিব। আজি আমাৰ লগৰ কোনো নাহে।' জংকীয়ে আচৰিত হৈ ক'লে- 'তুমি কি কৈছা এইবোৰ? ছিটা ল'লে ভালহে হ'ব। ব'লা আমি বিদ্যালয়লৈ গৈ নীলিমা খাতুন বাইদেউক আজি যে কোনো ছাত্ৰ-ছাত্ৰী অহা নাই, সেই বিষয়ে জনাওঁগৈ। শংকৰে জংকীৰ কথাটো মানি যাবলৈ মাস্তি হ'ল আৰু মাকক জনালে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জংকীয়ে শংকৰক লৈ খৰখেদাকৈ নীলিমা খাতুন বাইদেউৰ ওচৰ পালেগৈ। নীলিমা বাইদেৱে দুয়োকে দেখি সুধিলে, 'কি হ'ল? তোমালোকৰ লগৰীয়াবোৰ ক'লৈ গ'ল, এতিয়ালৈকে অহা নাই যে?'



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জংকীয়ে ক'লে, 'ছিটা দিয়াৰ কথা শুনি ভয়তে বাকী ছাত্ৰ-ছাত্ৰীসকল অহা নাই বাইদেউ।'

শংকৰে ক'লে, 'কমলৰ খুড়াকে কালি 'ভ্ৰাম্যভাষ'ত অহা ছিটা সন্দৰ্ভত বাতৰি এটা আমাৰ গাঁৱৰ সকলোকে হেনো বুজাই দিছে। সেয়েহে আমাৰ মায়েও মোক আহিবলৈ মানা কৰিছিল'। এই কথাবোৰ শুনি নীলিমা বাইদেৱে প্ৰধান শিক্ষক বিনোদ ওৰাং মহাশয়ক সকলো কথা ক'লে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰধান শিক্ষক মহোদয়ে ভ্ৰাম্যভাষৰ যোগেদি সেই অঞ্চলৰ প্ৰাথমিক চিকিৎসালয়ৰ চিকিৎসক ৰতন পায়েং মহোদয়ক ছাত্ৰ-ছাত্ৰীসকলে ছিটা লোৱাৰ ভয়ত বিদ্যালয়লৈ নহাৰ কথা জনালে। প্ৰধান শিক্ষক আৰু চিকিৎসকগৰাকীয়ে আলোচনা কৰি সেইদিনাখনেই আবেলি পৰত বিদ্যালয় চৌহদত এখন জৰুৰী সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত ল'লে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰধান শিক্ষকে বিদ্যালয়ৰ সহযোগী কৰ্মী হৰিধনক গাঁওবুঢ়া, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলক সভাখনৰ বিষয়ে জনাবলৈ পঠিয়ালে। এই কাৰ্যত জংকী, শংকৰহঁতে সহযোগ কৰিলে। গাঁৱৰ চিকিৎসালয়ৰ চিকিৎসক ৰতন পায়েং মহোদয়ে আবেলিৰ সভাত সকলোকে উদ্দেশ্য কৰি সম্ভাষণ জনালে আৰু সচিত্ৰ প্ৰচাৰ পুস্তিকাসমূহ উলিয়াই ছিটা সম্পৰ্কে বুজাবলৈ চেষ্টা কৰিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পুস্তিকাসমূহ দেখাৰ পাছত অভিভাৱকসকল অতি উৎসাহিত হ'ল।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গাঁওবুঢ়াই চিকিৎসক পায়েঙক ক'লে- 'আপুনি আমাক বীজাণুৰ সংক্রমণ আৰু প্রতিৰোধ ক্ষমতাৰ বিষয়ে কিছু জনালে আমি লাভবান হ'ম।' পায়েং ডাঙৰীয়াই মিচিকিয়াই হাঁহি ক'লে- 'নিশ্চয়, পুস্তিকাসমূহৰ কথাখিনি আলোচনা কৰাৰ লগতে বীজাণুৰ সংক্রমণ আৰু ৰোগৰ প্রতিৰোধ ক্ষমতাৰ বিষয়ে ক'ম।'পায়েং ডাঙৰীয়াই ক'বলৈ আৰম্ভ কৰিলে, 'অন্য অণুজীৱৰ নিচিনাকৈ বীজাণু আমাৰ দেহত প্রৱেশ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কিছুমান শক্তিশালী বীজাণুৱে পলিঅ', জলাতংক, ইনফ্লুয়েঞ্জা, হেপাটাইটিছ আদি ৰোগৰ সৃষ্টি কৰে। সেইবোৰ বীজাণুৱে মানুহৰ দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা সহজে হ্ৰাস কৰে। ছিটা প্ৰয়োগ কৰি এই ভয়ানক বীজাণুবোৰৰ সংক্ৰমণ ৰোধ কৰিব পাৰি। উপযুক্ত সময়ত শৰীৰত ছিটা প্ৰয়োগ কৰি আমাৰ শিশুসকলৰ ৰোগ প্ৰতিৰোধ কৰাৰ ক্ষমতা সৃষ্টি কৰাটো অতি প্ৰয়োজন।'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

চিকিৎসকগৰাকীয়ে এইদৰে ৰোগ প্ৰতিৰোধ ক্ষমতাৰ কথা ভালদৰে আলোচনা কৰিলে আৰু ইয়াৰ ফলত তেওঁলোকৰ মনৰ পৰা ভুল ভাব আঁতৰি গ'ল। এই সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত জংকীৰ সজাগতাক সকলোৱে ধন্যবাদ জনালে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সেই সভাতে প্ৰধান শিক্ষক মহোদয়ে অনলাইনৰ মাধ্যমেৰে বা মুখে মুখে বাগৰি যোৱা উৰাবাতৰিৰ ক্ষতিকাৰক দিশৰ বিষয়ে ৰাইজক জনালে। লগতে এনে বাতৰিৰ পৰা সকলোকে সাৱধান হৈ থাকিবলৈ ক'লে। প্ৰধান শিক্ষক মহোদয়ে চিকিৎসক পায়েঙৰ শলাগ লোৱাৰ লগতে ৰাইজক সভাত উপস্থিত থাকি সহযোগ কৰাৰ বাবে ধন্যবাদ জনালে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লগতে এনে উৰাবাতৰিৰ পৰা ৰাইজক বিৰত থাকিবলৈ পৰামৰ্শ দিয়ে আৰু সন্দেহজনক কোনো বাতৰিৰ সত্যাসত্য জানি লোৱাৰ প্ৰয়োজন বুলি দোহাৰে।

উৰাবাতৰিসমূহ সমাজৰ বাবে এক প্ৰকাৰ সোঁচৰা ৰোগ। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক এনে উৰাবাতৰিক বিশ্বাস নকৰি ছিটা ল'বলৈ পৰামৰ্শ দিয়ে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰধান শিক্ষক মহোদয়ৰ পৰামৰ্শ অনুসৰি পাছদিনাখন পুৱা বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী যথাসময়ত ৰংমনে ছিটা লোৱাৰ বাবে উপস্থিত হ'ল।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। ছিটা সম্পর্কে প্রচাৰ হোৱা উৰাবাতৰিটো কি মাধ্যমৰ যোগেদি প্রচাৰ হৈছিল ?

(ক) ভ্রাম্যভাষৰ যোগেদি

(খ) বাতৰি কাকতৰ মাধ্যমেৰে

মূল্যায়ন



২। বিদ্যালয়লৈ ছিটা সম্পর্কে সবিশেষ জনাবলৈ কোন আহিছিল ?

উত্তৰঃ গাঁৱৰ চিকিৎসালয়ৰ চিকিৎসক ৰতন পায়েং